HL (24-03-24/Midday)

১। কেন্দ্ৰীয় চৰকাৰে গ্ৰীষ্মকালৰ সময়ছোৱাত চিকিৎসালয়ত সংঘটিত অগ্নিকাণ্ডৰ ঘটনা ৰোধ কৰাৰ বাবে জৰুৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰতি আহ্বান জনাইছে।

২। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে কৈছে যে, সঠিক আৰু সময়োচিত সিদ্ধান্ত তথা অৰ্থনৈতিক সংস্কাৰে কোভিড সংকটৰ পৰা ওলাই অহাত ভাৰতক সহায় কৰিছে।

৩। লোকসভা নিৰ্বাচনত ভোটাৰৰ অংশগ্ৰহণ বৃদ্ধিৰ লক্ষ্যৰে এইবাৰ নিৰ্বাচনী কৰ্তব্যত নিয়োজিত কৰ্মীসকলে ৮৫ বছৰৰ উৰ্ধৰ জ্যেষ্ঠ নাগৰিক আৰু ৪০ শতাংশতকৈ অধিক প্ৰতিবন্ধী ভোটাৰৰ ঘৰে ঘৰে গৈ ভোট গ্ৰহণৰ ব্যৱস্থা কৰিব।

৪। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, ছিকিম আৰু পশ্চিমবংগৰ হিমালয়ৰ পাদদেশৰ এলেকাসমূহৰ ঠাই বিশেষে পৰৱৰ্তী দুদিনত বিজুলী ঢেৰেকণীৰে ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ৰাজস্থান ৰয়েলছ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হোৱাৰ বিপৰীতে গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ সন্মুখীন হ'ব।

০০০০

স্বাস্থ্য মন্ত্ৰালয়ে সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ চিকিৎসালয় সমূহত গ্ৰীষ্মকালৰ সময়ছোৱাত চিকিৎসালয়ত যাতে জুইৰ সূত্ৰপাত নঘটে , তাৰবাবে তৎকালীন ব্যৱস্থা গ্ৰহণ নিৰ্দেশ দিছে। সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য সচিবলৈ লিখা এখন পত্ৰত স্বাস্থ্য সচিব অপূৰ্ব চন্দ্ৰই কয় যে গ্ৰীষ্মকালত উষ্ণতা বৃদ্ধি পোৱাৰ লগে লগে চিকিৎসালয় সমূহত জুই লগা ঘটনা সঘনাই ঘটিবলৈ আৰম্ভ কৰিছে। স্বাস্থ্য মন্ত্ৰালয়ে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক ৰাজ্যৰ স্বাস্থ্য বিভাগ আৰু ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষক অধিক সহযোগিতাৰে কাম কৰিবলৈ নিৰ্দেশ দিয়ে। পত্ৰখনত চিকিৎসালয়সমূহে অগ্নিনিৰ্বাপক সামগ্ৰী সমূহ নিয়মিতভাৱে নিৰীক্ষণ কৰাটো বাধ্যতামূলক বুলিও পত্ৰখনত উল্লেখ কৰা হয়।

০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে কৈছে যে, সঠিক আৰু সময়োচিত সিদ্ধান্ত তথা অৰ্থনৈতিক সংস্কাৰে কোভিড সংকটৰ পৰা ওলাই অহাত ভাৰতক সহায় কৰিছে। বেংগালুৰুত আজি চিন্তাবিদ মঞ্চৰ এটা সত্ৰক সম্বোধন কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, গোলকীয় সম্প্ৰদায়ে বৰ্তমান কোভিড মহামাৰীৰ সময়ত ভাৰতে গ্ৰহণ কৰা ভূমিকাক স্বীকৃতি প্ৰদান কৰিছে আৰু ভাৰতবৰ্ষক সবাতোকৈ দ্ৰুত বিকশিত অৰ্থব্যৱস্থা হিচাপে মানি লৈছে। ২০২০ ৰ পৰা ২০২২ চনলৈ কোভিড মহামাৰী আৰু পাছত ৰাছিয়া ইউক্ৰেইনৰ মাজৰ সংঘৰ্ষৰ সময়ছোৱাত সমগ্ৰ বিশ্বত অৰ্থনৈতিক সংকট সৃষ্টি হৈছিল। এই সময়ছোৱাত খাদ্য সামগ্ৰী, ইন্ধন আৰু সাৰৰ মূল্য অভাৱনীয়ভাৱে বৃদ্ধি পাইছিল আৰু ৰাজহ সংগ্ৰহ হ্ৰাস পাইছিল। সংকটৰ সময়ছোৱাত অতিৰিক্ত মুদ্ৰা যোগান ধৰা দেশসমূহ বৰ্তমান দুটা অংকত মুদ্ৰাস্ফীতিৰ সন্মুখীন হবলগীয়া হৈছে। সেই দেশসমূহত বজাৰৰ চাহিদা হ্ৰাস পাইছে, সূদৰ হাৰ বৃদ্ধি পাইছে আৰু অৰ্থব্যৱস্থা মন্দাৱস্থাৰ দিশে গতি কৰিছে।

ইয়াৰ পৰিবৰ্তে ভাৰতে কোৰিডৰ সময়ছোৱাত দুখীয়া জনসাধাৰণলৈ বিনামূলীয়াকৈ খাদ্য সামগ্ৰী যোগান ধৰে আৰু অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহলৈ সহায়ৰ হাত আগবঢ়ায়। ভাৰতে মহিলা আৰু জ্যেষ্ঠ নাগৰিকসকলৰ বাবে কৰ্মসংস্থাপনৰ ব্যৱস্থা কৰে আৰু প্ৰতিষেধক প্ৰদান কৰে। ইয়াৰ উপৰি ভাৰতে অৰ্থনৈতিক সংস্কাৰ প্ৰক্ৰিয়া অধিক স্বচ্ছ কৰি আৰু ব্যৱসায় সুগম কৰি তোলে। উদ্যমী খেতিয়ক আৰু দেশৰ যুৱ প্ৰজন্মৰ সামৰ্থৰ বাবে অৰ্থব্যৱস্থা ততালিকে ঠন ধৰি উঠা বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীমতী সীতাৰমণে কয় যে, কোৰিড সংকটৰ পৰা উদ্ধাৰ পোৱাৰ বাবে ভাৰতে গ্ৰহণ কৰা সূত্ৰৰ কথা সম্প্ৰতি সমগ্ৰ বিশ্বই স্বীকাৰ কৰিছে।

০০০০

লোকসভা নিৰ্বাচনত ভোটাৰৰ অংশগ্ৰহণ বৃদ্ধিৰ লক্ষ্যৰে এইবাৰ নিৰ্বাচনী কৰ্তব্যত নিয়োজিত কৰ্মীসকলে ৮৫ বছৰৰ উৰ্ধৰ জ্যেষ্ঠ নাগৰিক আৰু ৪০ শতাংশতকৈ অধিক প্ৰতিবন্ধী ভোটাৰৰ ঘৰে ঘৰে গৈ ভোট গ্ৰহণৰ ব্যৱস্থা কৰিব। এই ব্যৱস্থাৰ অধীনত এজন ভিডিঅ'গ্ৰাফাৰৰ সৈতে দুজন ভোটগ্ৰহণকাৰী বিষয়াই যোগ্য ভোটাৰক সাক্ষাৎ কৰি ভোটাৰৰ বাসগৃহত ভোটাদান প্ৰক্ৰিয়া ৰেকৰ্ড কৰিব। আনহাতে এই দুই শ্ৰেণীৰ ভোটাৰে যদি নিজেই গৈ ভোটকেন্দ্ৰত ভোটদান কৰিব খোজে তেন্তে তেওঁলোকক ৰেম্প, অপেক্ষাৰ স্থান, হুইল চেয়াৰ, শৌচাগাৰ আদিৰ বিশেষ সুবিধা প্ৰদান কৰা হ'ব। নিৰ্বাচনৰ দিনা প্ৰতিটো ভোটকেন্দ্ৰতে প্ৰতিবন্ধী ভোটাৰ আৰু জ্যেষ্ঠ নাগৰিক ভোটাৰসকলৰ বাবে উপযুক্ত পৰিবহণৰ সুবিধা কৰিবলৈও আয়োগে নিৰ্বাচনী বিষয়াসকলক নিৰ্দেশ দিছে। এই শ্ৰেণীৰ ভোটাৰসকলে **সক্ষম-ই চি আই এপত** পঞ্জীয়ন কৰি হুইল চেয়াৰৰ সুবিধা লাভৰ বাবে অনুৰোধ কৰিব পাৰিব। উল্লেখযোগ্য যে, নিৰ্বাচন আয়োগে এইবাৰ বিশেষভাৱে সক্ষম ভোটাৰসকলৰ প্ৰয়োজনীয়তা সম্পৰ্কে ভোটগ্ৰহণকাৰী কৰ্মীসকলক সংবেদনশীল কৰি তোলাত অধিক গুৰুত্ব আৰোপ কৰিছে। সেই অনুসৰি বাকশক্তি আৰু শ্ৰৱণ শক্তিৰ দুৰ্বলতা থকা ভোটাৰসকলৰ বাবেও বিশেষ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। ভোটকেন্দ্ৰসমূহত দৃষ্টিহীন ব্যক্তিসকলে নিৰ্বাচন পৰিচালনা অধিনিয়ম-১৯৬১ৰ নিয়মানুসাৰে নিজৰ হৈ ভোট দিবলৈ এগৰাকী সংগীক লগত নিব পাৰিব। তদুপৰি, যিহেতু ভোটকেন্দ্ৰসমূহত ব্ৰেইল লিপিত যুগুতোৱা প্ৰতিৰূপী বেলট কাকত উপলব্ধ হ'ব, সেয়েহে দৃষ্টিহীন ব্যক্তিসকলে এই বেলট ব্যৱহাৰ কৰিব পাৰিব আৰু সংগীৰ পৰা কোনো সহায় নোলোৱাকৈয়ে ই ভি এমৰ বেলট ইউনিটত ব্ৰেইল সুবিধা ব্যৱহাৰ কৰি নিজেই ভোটদান কৰিব পাৰিব।

০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে উত্তৰ পূৰ্বাঞ্চল আৰু পশ্চিমবংগৰ হিমালয়ৰ পাদদেশৰ এলেকাসমূহত ২৬ মাৰ্চলৈ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগে কৈছে যে, অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, ছিকিম আৰু পশ্চিমবংগৰ হিমালয়ৰ পাদদেশৰ এলেকাসমূহৰ ঠাই বিশেষে পৰৱৰ্তী দুদিনত বিজুলী ঢেৰেকণীৰে ধাৰাষাৰ বৰষুণ হ'ব পাৰে। নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাসহ এই অঞ্চলসমূহত ২৯ মাৰ্চ পৰ্যন্ত মজলীয়া বৰষুণ হ'ব পাৰে আৰু ঠাই বিশেষে বিজুলী গাজনিৰে বৰষুণ হ'ব পাৰে বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে। অতি বিষুবীয় ধুমুহাৰ প্ৰভাৱত জম্মু-কাশ্মীৰ, লাডাখ, গিলগিদ বাল্টিস্তান, মুঝফফৰাবাদ, হিমাচল প্ৰদেশ, পাঞ্জাব, হাৰিয়ানা, ৰাজস্থান আৰু উত্তৰাখণ্ডত ২৯ মাৰ্চলৈকে বিজুলী গাজনিৰে পাতলীয়া বৰষুণ হব পাৰে। বতৰ বিজ্ঞান বিভাগে কৰা পূৰ্বানুমান অনুসৰি ৰায়লছিমা, কেৰালা, মাহে, তামিলনাডু, পুডুচেৰী আৰু কৰইকলত ২৭ মাৰ্চলৈকে বতৰ উষ্ম আৰু আৰ্দ্ৰ হৈ থাকিব।

০০০০

দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক গ্ৰেপ্তাৰৰ পাছত দলৰ ভৱিষ্যত ৰণনীতি নিৰ্ধাৰণ কৰাৰ বাবে আজি আম আদমী পাৰ্টীৰ নেতা, বিধায়ক আৰু পাৰিষদসকলৰ এখন বৈঠক অনুষ্ঠিত হ'ব।

ৰাজ্যসভাৰ সাংসদ সন্দীপ পাঠকে এই বৈঠকত অধ্যক্ষতা কৰাৰ সম্ভাৱনা আছে। দলৰ মুৰব্বী অৰবিন্দ কেজৰিৱালক গ্ৰেপ্তাৰৰ পাছত এয়া এনেধৰণৰ প্ৰথমখন বৃহৎ বৈঠক হব আৰু এই বৈঠকত দলৰ ভৱিষ্যত ৰণনীতি সম্পৰ্কে আলোচনা হোৱাৰ সম্ভাৱনা আছে। বিধি বলবৎকাৰী সঞ্চালকালয়ে আবকাৰী নীতি সম্পৰ্কীয় ক'লাধন বৈধকৰণৰ এটা গোচৰৰ সংক্ৰান্তত বৃহস্পতিবাৰে অৰবিন্দ কেজৰিৱালক তেওঁৰ চৰকাৰী বাসগৃহৰ পৰা গ্ৰেপ্তাৰ কৰে। ইয়াৰ পাছতে শুকুৰবাৰে ন্যায়ালয়ে আম আদমী পাৰ্টীৰ আহ্বায়কগৰাকীক ২৮ মাৰ্চলৈ বিধি বলবৎকাৰী সঞ্চালকালয়ৰ জিম্মালৈ প্ৰেৰণ কৰে।

০০০০

বিদেশী পোৰ্টফলিঅ' বিনিয়োগকাৰীসকলে চলিত মাহত ভাৰতীয় ইকুইটি বজাৰত ৩৮ হাজাৰ কোটিৰো অধিক ধন বিনিয়োগ কৰিছে। গোলকীয় অৰ্থনৈতিক প্ৰেক্ষাপটলৈ অহা অনুকুল পৰিবৰ্তন আৰু শক্তিশালী ঘৰুৱা স্থূল অৰ্থনৈতিক দৃষ্টিকোণৰ বাবেই বিনিয়োগ বৃদ্ধি পাইছে। বিদেশী পোৰ্টফলিঅ' বিনিয়োগৰাকীসকলে ২০২৪ বৰ্ষত এতিয়ালৈকে ইকুইটি বজাৰত বিনিয়োগ কৰা ধনৰ পৰিমাণ ১৩ হাজাৰ ৮৯৩ কোটি টকা আৰু ঋণ বজাৰত বিনিয়োগ কৰা ধনৰ পৰিমাণ ৫৫ হাজাৰ ৪৮০ কোটি টকা হৈছে। বিদেশী পোৰ্টফলিঅ' বিনিয়োগৰাকীসকলে ইকুইটি বজাৰৰ উপৰি ঋণ বজাৰত ২২ মাৰ্চ পৰ্যন্ত ১৩ হাজাৰ ২২৩ কোটি টকা বিনিয়োগ কৰিছে।

০০০০

কেন্দ্ৰীয় চৰকাৰে পিয়াজৰ ৰপ্তানীৰ ক্ষেত্ৰত আৰোপ কৰা নিষেধাজ্ঞাৰ ম্যাদ পৰৱৰ্তী নিৰ্দেশ জাৰি নকৰা পৰ্যন্ত বৃদ্ধি কৰিছে। ঘৰুৱা বজাৰত পিয়াজৰ উপলভ্যতা সুনিশ্চিত কৰা আৰু মূল্য নিয়ন্ত্ৰণ কৰাৰ উদ্দেশ্যে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। জয়পুৰত বিয়লি চাৰে ৩ বজাত হ'বলগীয়া প্ৰথমখন খেলত ৰাজস্থান ৰয়েলছ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হোৱাৰ বিপৰীতে আহমেদাবাদত সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ সন্মুখীন হ'ব।

কলকাতা নাইট ৰাইডাৰ্ছে যোৱা নিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদক ৪ ৰানত পৰাস্ত কৰাৰ বিপৰীতে পাঞ্জাব কিংছে চণ্ডিগড়ত অনুষ্ঠিত আন এখন খেলত দেলহি কেপিটেলছক ৪ উইকেটত পৰাস্ত কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ